# মোৰ আই

## জুবিন গাৰ্গ

মোৰ বুকুৰ চোতালত কোনে আহি নাচে
মোৰ তেজৰ উলাহত কোনে আহি হাঁহে

নীলাভ সাগৰৰ সিপাৰত
অটল পাহাৰৰ শিখৰত
বাৰে বাৰে শুনো মই তোমাৰ গুণগুণ

তুমি সেই একেই বৈ থকা নদী
মোৰ দুপাৰ ওপচাই
তুমি সেই একেই হেঙুলী আকাশ
বগলীৰ জাক উৰুৱাই

কোনে কয় সৰগ বেলেগ, কোনে কয় পথাৰ বেলেগ
সেই একেই সুৰৰ প্ৰতিধ্বনি এই কাণত
কোনে কয় মানুহ বেলেগ, কোনে কয় দেশ বেলেগ
পথৰ সমুখত সেই একেই গতিৰ স্মৃতি

অন্তহীন যাত্ৰাৰ অৱশেষ কঢ়িয়াই ফুৰা
আমি হ'লো আদিম মানৱ
আহা, সিৰে সিৰে শিপাই লওঁ প্ৰকৃতিৰ বলীয়া বান্ধোন
আত্মাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে ছটিয়াই লওঁ
অপৰূপ আবিৰ নতুন।।